ৰাজনীতি

কংগ্ৰেছে আঞ্চলিক দলক ‘প্ৰধান শত্ৰু’ বুলি গণ্য কৰে: অখিল গগৈ

বিজেপিৰ পৰিৱৰ্তে আঞ্চলিক দল আৰু গণ-আন্দোলনসমূহক দুৰ্বল কৰাৰ চেষ্টা কংগ্ৰেছে চলাই আহিছে বুলি অভিযোগ অখিল গগৈৰ। ৰাহুল গান্ধী আৰু যোগেন্দ্ৰ যাদৱলৈ পৃথকে পত্ৰ প্ৰেৰণ কৰিছে তেওঁ।

প্ৰকাশ: ১৭ নৱেম্বৰ ২০২৬, নিশা ৭:৪৩ আপডেট: ১৭ নৱেম্বৰ ২০২৬, নিশা ৯:০৫



Akhil Gogoi (NewzNow)

কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মিত্ৰতা ভংগ হোৱাৰ প্ৰায় দুমাহৰ পাছত কংগ্ৰেছৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰিছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈ। বিজেপিক প্ৰধান ৰাজনৈতিক প্ৰতিদ্বন্দ্বী হিচাপে গণ্য কৰাৰ পৰিৱৰ্তে কংগ্ৰেছে আঞ্চলিক ৰাজনৈতিক দল আৰু প্ৰকৃত গণ-আন্দোলনসমূহক নিজৰ ‘প্ৰধান শত্ৰু’ হিচাপে গণ্য কৰে বুলি অভিযোগ উত্থাপন কৰিছে তেওঁ।

এই সন্দৰ্ভত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী আৰু ৰাজনৈতিক কৰ্মী যোগেন্দ্ৰ যাদৱলৈ পৃথকে পত্ৰ প্ৰেৰণ কৰিছে অখিল গগৈয়ে।

মঙলবাৰে ৰাহুল গান্ধীলৈ প্ৰেৰণ কৰা পত্ৰত ককৰোচ জনতা পাৰ্টী (চিজেপি)-ৰ নেতৃত্বত চলা আন্দোলন দুৰ্বল কৰাৰ বাবে কংগ্ৰেছক জগৰীয়া কৰে তেওঁ। চিজেপি-ৰ আন্দোলনক সমৰ্থন কৰাৰ পৰিৱৰ্তে কংগ্ৰেছে সমান্তৰাল প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি আন্দোলনৰ শক্তি বিভাজিত কৰিছিল বুলি তেওঁৰ অভিযোগ। ইয়াৰ ফলত শাসকীয়

পক্ষই আন্দোলনটো নিয়ন্ত্রণ কৰাৰ সুযোগ লাভ কৰিছিল বুলিও পত্রখনত উল্লেখ কৰিছে তেওঁ।

সমান্তৰাল প্রতিবাদৰ জৰিয়তে প্রকৃত গণ-আন্দোলনৰ সৈতে প্রতিযোগিতাত নামি কংগ্রেছে আন্দোলনটোৰ শক্তি হ্রাস কৰিছে বুলি পত্রত লিখিছে অখিল গগৈয়ে। যুৱপ্রজন্মৰ নেতৃত্বত গঢ় লৈ উঠা এনে আন্দোলনক বিৰোধী ৰাজনৈতিক দলসমূহে নিঃচর্ত সমর্থন আগবঢ়োৱা উচিত বুলিও তেওঁ কয়। চিজেপি বা ইয়াৰ নেতৃত্বৰ সৈতে কংগ্রেছৰ মতভেদ থাকিলেও আন্দোলনটোৰ প্রতি সমর্থন আগবঢ়াবলৈ ৰাহুল গান্ধীক আহ্বান জনাইছে তেওঁ।

যোগেন্দ্র যাদৱলৈ প্রেৰণ কৰা পৃথক পত্রত অখিল গগৈয়ে আঞ্চলিক দলসমূহৰ প্রতি কংগ্রেছৰ দৃষ্টিভংগীক লৈ প্রশ্ন উত্থাপন কৰে। তেওঁৰ অভিযোগ, কংগ্রেছে বিজেপিক আদর্শগত প্রতিদ্বন্দ্বী বুলি ক'লেও বাস্তৱত আঞ্চলিক মিত্রদল আৰু স্বতন্ত্র গণ-আন্দোলনসমূহৰ শক্তি হ্রাস কৰাৰ চেষ্টা চলাই আহিছে।

১ নৱেম্বৰত নতুন দিল্লীৰ ৰামলীলা ময়দানত মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক অপসাৰণৰ দাবীত অনুষ্ঠিত ইণ্ডিয়া মিত্রজোঁটৰ প্রতিবাদী সমাৱেশকো 'ঐতিহাসিক ভুল' বুলি অভিহিত কৰে অখিল গগৈয়ে। বিশেষ সংশোধন প্রক্রিয়াক লৈ চিজেপিয়েও মুখ্য নির্বাচন আয়ুক্তৰ বিৰুদ্ধে পৃথকভাৱে প্রতিবাদ কৰি আহিছিল। স্বতন্ত্র পৰিচয় অক্ষুণ্ণ ৰখাৰ স্বার্থত সংগঠনটোৱে ৰামলীলা ময়দানৰ সমাৱেশত অংশগ্রহণ কৰা নাছিল।

বিৰোধী ঐক্যৰ মাজত একক আধিপত্য প্রতিষ্ঠা কৰাৰ পৰিৱর্তে কংগ্রেছে সমমর্যাদাৰ ভিত্তিত আঞ্চলিক দলসমূহৰ সৈতে কাম কৰা উচিত বুলি অখিল গগৈয়ে মন্তব্য কৰে। ৰাহুল গান্ধীক একমাত্র প্রধানমন্ত্রী পদৰ প্রার্থী হিচাপে প্রতিষ্ঠা কৰাৰ পৰিৱর্তে বৃহত্তৰ বিৰোধী ঐক্য গঢ়ি তোলাত গুৰুত্ব দিবলৈও তেওঁ আহ্বান জনায়।

২০২৯ চনৰ লোকসভা নির্বাচনত বিজেপিক প্রত্যাহ্বান জনাবলৈ স্বতন্ত্র গণ-আন্দোলন আৰু আঞ্চলিক ৰাজনৈতিক শক্তিসমূহৰ সমর্থন অপৰিহার্য বুলি তেওঁ কয়। কংগ্রেছৰ নেতাসকলক সমষ্টি পর্যায়ত সাংগঠনিক ভেটি শক্তিশালী কৰা, বুথ কমিটী গঠন কৰা আৰু যুৱপ্রজন্মৰ আন্দোলনসমূহক সাংগঠনিক তথা প্রয়োজনীয় সহায় আগবঢ়োৱাৰ পৰামর্শ দিছে তেওঁ। পৰৱর্তী লোকসভা নির্বাচনৰ কমেও এবছৰ পূর্বে মিত্রদলসমূহৰ সৈতে আসন বুজাবুজি চূড়ান্ত কৰাৰ পোষকতাও কৰিছে অখিল গগৈয়ে।

চলিত বর্ষৰ ৩ ছেপ্টেম্বৰত অসম প্রদেশ কংগ্রেছে ৰাইজৰ দলৰ সৈতে থকা ৰাজনৈতিক মিত্রতা আনুষ্ঠানিকভাৱে ভংগ কৰাৰ কথা ঘোষণা কৰিছিল। ২০২৬ চনৰ অসম বিধানসভা নির্বাচনৰ পূর্বে হোৱা আসন বুজাবুজিত ৰাইজৰ দলে প্রতিদ্বন্দ্বিতা কৰা ১৩টা সমষ্টিৰ ভিতৰত ধিং আৰু শিৱসাগৰ—দুটা সমষ্টিত জয়লাভ কৰিছিল। কংগ্রেছে ১৯খন আসন লাভ কৰাৰ বিপৰীতে ১২৬খন আসনৰ বিধানসভাত বিজেপি নেতৃত্বাধীন এনডিএই ১০২খন আসন লাভ কৰিছিল।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3973/akhil-gogoi-congress-regional-parties